# অনন্য বৰ্ষাৰণ্য দিহিং পাটকাই

**ৰাণু বৰুৱা**

শেহতীয়াকৈ দুটা গুৰুত্বপূৰ্ণ বাতৰিৰ বাবে উজনি অসমৰ দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যখন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ শিৰোনাম হৈ পৰিছিল। এই বছৰৰ এপ্ৰিল মাহৰ প্ৰথম ভাগত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদে (National Board for Wildlife) এই অভয়াৰণ্যখনৰ ভিতৰত উত্তৰ-পূব কয়লা ক্ষেত্ৰক মুক্ত কয়লা খনন কৰিবলৈ প্ৰথম পৰ্যায়ৰ অনুমতি প্ৰদান কৰা বিষয়টোৱে যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। আৰু আনটো বাতৰি আছিল যোৱা জুলাই মাহত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যখনক (Wildlife Sanctuary) ৰাষ্ট্ৰীয় উদ্যানলৈ (National Park) উন্নীত কৰিবলৈ ৰাজ্যিক বন বিভাগক ব্যৱস্থা গ্ৰহণৰ বাবে দিয়া নিৰ্দেশ। প্ৰথম সংবাদটোৰ বিপৰীতে দ্বিতীয় সংবাদটোৱে কিছু আশাৰ বতৰা কঢ়িয়াই আনিছে। উজনি অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া দুয়োখন জিলাতেই পাটকাই পৰ্বতৰ পাদদেশত অৱস্থিত তিনিখন সংৰক্ষিত বনাঞ্চলক লৈ অসম চৰকাৰে ২০০৪ চনৰ ১৯ জুন তাৰিখে ৰাজপত্ৰিত জাননী নম্বৰ FRW.34/2003/ P-I/6 যোগে ১১১.১৯ বৰ্গ কিল'মিটাৰ অঞ্চলক সামৰি দিহিং পাটকাই অভয়াৰণ্য নামৰ এখন নতুন বন্যপ্ৰাণী অভয়াৰণ্য ঘোষণা কৰে।

ডিগবৈ বন সংমণ্ডলৰ ডিৰক বনাঞ্চলৰ ৩০.৪২৫৫ বৰ্গ কিল'মিটাৰ, আপাৰ দিহিং (পশ্চিম খণ্ড) সংৰক্ষিত বনাঞ্চলৰ ৫৬.৬৯৫০ বৰ্গ কিল'মিটাৰ আৰু ডিব্ৰুগড় বন সংমণ্ডলৰ জয়পুৰ সংৰক্ষিত বনাঞ্চলৰ কিছু অংশ ২৪.০৭ বৰ্গ কিল'মিটাৰ এলেকা এই অভয়াৰণ্যখনৰ অন্তৰ্গত। ডিৰক বনাঞ্চলখনৰ দক্ষিণ দিশেদি ডিৰক নৈ আৰু আপাৰ দিহিং, জয়পুৰ বনাঞ্চলৰ মাজেদি বুঢ়ীদিহিং নৈ প্ৰৱাহিত হৈছে। চৰকাৰী নথি অনুসৰি দিহিং পাটকাই অভয়াৰণ্যখনৰ মাটিকালি মাথোন ১১১.১৯ বৰ্গ কিল'মিটাৰ যদিও এই অৰণ্যখন একেলেথাৰিয়ে পূবে অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰপৰা অসমৰ তিনিচুকীয়া, ডিব্ৰুগড় আৰু চৰাইদেউ জিলা হৈ অৰুণাচলৰ টিৰাপ জিলালৈকে বিস্তৃত হৈ আছে আৰু এই সমগ্ৰ অৰণ্যখনৰ মাটিকালি হ'ব প্ৰায় ৫৭৫ বৰ্গ কিল'মিটাৰ।

অৰণ্যৰ শ্ৰেণীবিভাজন অনুসৰি দিহিং পাটকাই অভয়াৰণ্যৰ বনাঞ্চল হৈছে অসম উপত্যকাৰ ক্ৰান্তীয় সিক্ত চিৰসেউজ বনাঞ্চল (Assam Valley Tropical Wet Evergreen Forest)। **বিশ্বাস কৰা হয়, এই বনাঞ্চলখন অসমৰ একেলেথাৰিয়ে থকা অৱশিষ্ট এডোখৰ নিম্ন অঞ্চলৰ সমতলীয় ভূমিৰ একমাত্ৰ বৰ্ষাৰণ্য।** এই বিৰল অৰণ্যখনৰ প্ৰধান বৈশিষ্ট্য হৈছে ইয়াত বছৰি গড়ে প্ৰায় ৪,০০০ মিলিমিটাৰ বৰষুণ হয় আৰু বায়ুমণ্ডল অত্যন্ত আৰ্দ্ৰ। এই অৰণ্যখনৰ অন্তৰ্ভাগত প্ৰৱেশ কৰিলেই এনে এটা আৱহাৱাৰ সন্মুখীন হ'বলগীয়া হয়, যিটো সচৰাচৰ অসমৰ আন আন অৰণ্যত অনুভূত নহয়।

**দিহিং পাটকাই অভয়াৰণ্যখনৰ গভীৰ অভ্যন্তৰলৈ যাত্ৰা কৰিলে আপোনাৰ এনে এটা অনুভৱ নিশ্চয়কৈ হ'ব যেন আপুনি প্ৰকৃতাৰ্থত এখন বৰ্ষাৰণ্যৰ ভিতৰতহে প্ৰৱেশ কৰিছে। অসূৰ্যম্পশ্যা জলসিক্ত ভূপৃষ্ঠ, গগনচুম্বী হোলোং, মেকাই আদি গছৰ গেজেপনি মৰা হাবি, বৃহদাকাৰ বিভিন্ন প্ৰজাতিৰ ঢেঁকীয়াজাতীয় উদ্ভিদ, অলেখ গুল্ম-লতিকাৰে আবৃত আৰু ভিন্ন জীৱ-জন্তুৰ আৰাও, চৰাই-চিৰিকটিৰ বিচিত্ৰ কলৰৱ, ভিন ভিন পোক-পতংগৰ চীঁচিয়ঁনিৰে এইখন প্ৰকৃততেই মাদকতাপূৰ্ণ এখন সুকীয়া অৰণ্য।**

অভয়াৰণ্যখনত বৰ্তমানলৈকে ৪৩টা বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী জন্তুৰ উপস্থিতি লিপিবদ্ধ কৰা হৈছে। অভয়াৰণ্য আৰু ইয়াৰ সংলগ্ন বনাঞ্চলত ১৭টা মাংসাহাৰী

